# দিছপুৰ মহাবিদ্যালয়ত নৱাগত আদৰণী-বঁটা প্ৰদান সভা

গুৱাহাটী, ৩০ আগষ্ট ঃ দিছপুৰ মহাবিদ্যালয় প্ৰেক্ষাগৃহত আজি ছাত্ৰ একতা সভাৰ উদ্যোগত নৱাগত আদৰণী সভাৰ আয়োজন কৰা হয়। এই উপলক্ষে পুৰা মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই পতাকা উত্তোলন আৰু উপাধ্যক্ষা ইন্দ্ৰাণী চৌধুৰী মহন্তই ছহিদ তৰ্পণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। নৱাগত আদৰণী সভাৰ আহ্বায়ক ড° শশীমোহন দাসৰ পৰিচালনাত আয়োজিত অনুষ্ঠানটোৰ মুকলি সভাত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই কয় যে ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যপুথিৰ জ্ঞানতে সীমাবদ্ধ নাৰাখি শিক্ষা-দীক্ষা-ক্ৰীড়া-সংস্কৃতি আদি সৰ্বাংগীন জ্ঞান দিবলৈ দিছপুৰ মহাবিদ্যালয়ে চেষ্টা অব্যাহত ৰাখিছে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসে মানুহৰ জীৱনৰ প্ৰতিটো ক্ষণ বহুমূলীয়া বুলি মত পোষণ কৰি সাধনাক জীৱনৰ ব্ৰত হিচাপে লৈ আগবাঢ়িবলৈ নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে কয়। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মহিলা আয়োগৰ অধ্যক্ষ আঙুৰলতা ডেকা। উক্ত সভাত নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে জনপ্ৰিয় অভিনেতা ৰাজকুমাৰ তালুকদাৰ। মানুহৰ সকলো পৰিচয়ৰ বাহিৰত নিজক মানুহ হিচাপে আৱিষ্কাৰ কৰাহে জীৱনৰ লক্ষ্য বুলি




উল্লেখ কৰে ৰাজকুমাৰ তালুকদাৰে। উক্ত সভাতেই মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসে পিতৃৰ সোঁৱৰণত স্বৰ্গীয় হৰিশ্চন্দ্ৰ দাস বঁটা হিচাপে ২০২৪-২৫ বৰ্ষৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতক বঁটা লিজা ভাগৱতীক প্ৰদান কৰাৰ লগতে এন এছ এছ গোটৰ ফালৰ পৰা ২৫ গৰাকী ছাত্ৰ-ছাত্ৰীক বিভাগীয় সেৱাবীৰ পুৰস্কাৰ বঁটা প্ৰদান কৰা হয়। তদুপৰি ইংৰাজী বিভাগৰ দুগৰাকী ছাত্ৰ-ছাত্ৰীক শৈক্ষিক পাৰদৰ্শিতা বঁটা, ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা বক্তৃতা প্ৰতিযোগিতাৰ বিজয়ী বঁটা আৰু বহুমুখী সমবায় সমিতিৰ সক্ৰিয় কৰ্মকৰ্তাসকলক সমবায়ৰ ফালৰ পৰা বঁটা প্ৰদান কৰা হয়।